# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-OCT-2026
**Time :** 1910 PM

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। ভাৰত আৰু নিউজিলেণ্ডৰ মাজত মুক্ত বাণিজ্য চুক্তি বিজয়া দশমী উপলক্ষে কাইলৈৰ পৰা কাৰ্যকৰী হ'ব।
২। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি উন্নীতকৃত কৃষি কল্যাণ প'ৰ্টেল মুকলি কৰে।
৩। মাৰ্কিন বিদেশ সচিব মাৰ্কো ৰুবিঅ'ই কয় যে আমেৰিকা যুক্তৰাষ্ট্ৰই অতি সোনকালে ভাৰতৰ সৈতে বাণিজ্য চুক্তি চূড়ান্ত কৰিব।
৪। শাৰদীয় দুৰ্গোৎসৱৰ আজি মহা অষ্টমী। আজি দেৱীক মহাগৌৰীৰ ৰূপত পূজা-অৰ্চনা কৰা হৈছে।

*আৰু*

৫। জাপানৰ আইচি-নাগোয়াত অনুষ্ঠিত এছিয়ান পেৰাগেমচত ভাৰতৰ কেইবাগৰাকীও খেলুৱৈয়ে সোণৰ পদক অৰ্জন কৰিছে।

০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজত মুক্ত বাণিজ্য চুক্তি বিজয়া দশমী উপলক্ষে কাইলৈৰ পৰা কাৰ্যকৰী হ'ব। নতুন দিল্লীত আজি এখন সংবাদমেল সম্বোধন কৰি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে কয় যে এই চুক্তিয়ে নিউজিলেণ্ডলৈ ভাৰতীয় সামগ্ৰীৰ এশ শতাংশ শুল্কবিহীন ৰপ্তানিৰ সুযোগ দিব। তেওঁ কয়, যে এই কৌশলগত অংশীদাৰিত্বই দেশ দুখনৰ মাজত দ্বিপাক্ষিক সম্পৰ্কক আৰু অধিক গভীৰ কৰাৰ সামুহিক আকাংক্ষাক প্ৰতিফলিত কৰে। তেওঁ লগতে কয় যে দুয়োখন দেশৰ মাজত পৰৱৰ্তী ৪-৫ বছৰত পণ্য আৰু সেৱাত দ্বিপাক্ষিক বাণিজ্য দুগুণ কৰি প্ৰায় ৩০  হাজাৰ কোটি টকাৰ মূল্যলৈ লৈ যোৱাতো লক্ষ্য লোৱা হৈছে।

শ্ৰীগোৱেলে কয় যে ফল-মূল, শাক-পাচলি, মছলা আৰু অন্যান্য কৃষিজাত সামগ্ৰীৰ বাবে এই চুক্তিৰ অধীনত ভাৰতৰ কৃষকসকলে এক বৃহৎ বজাৰ লাভ কৰিব। তেওঁ লগতে কয় যে এই চুক্তিয়ে উৎপাদন বৃদ্ধি, কৃষকৰ আয় বৃদ্ধি কৰাত সহায় কৰাৰ লগতে জীৱন ধাৰণৰ মান সুদৃঢ় কৰিব। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে কৃষকৰ স্বাৰ্থত দুগ্ধ খণ্ডকে ধৰি সংবেদনশীল ক্ষেত্ৰসমূহ সুৰক্ষিত ৰখা হৈছে। তেওঁ লগতে কয় যে ভাৰতত নিউজিলেণ্ডে ২০ বিলিয়ন ডলাৰৰ বিনিয়োগৰ প্ৰতিশ্ৰুতিয়ে উৎপাদন খণ্ড, আন্তঃগাঁথনি, সেৱা আৰু উদ্ভাৱন খণ্ডলৈ যথেষ্ট সম্ভাৱনা কঢ়িয়াই আনিছে।

তেওঁ কয় যে ভাৰতৰ এম এছ এম ই খণ্ড, কৃষকসকল, হস্ততাত আৰু কাৰু শিল্পীসকলক যথেষ্ট লাভৱান কৰিব আৰু নতুন নিয়োগৰ সুবিধা সৃষ্টি কৰিব। মন্ত্ৰীগৰাকীয়ে কয়, যে এই চুক্তিৰ অধীনত নিউজিলেণ্ডে ভাৰতত ২ লাখ কোটি টকা বৈদেশিক প্ৰত্যক্ষ বিনিয়োগ অৰ্থাৎ এফ ডি আই ৰূপায়ণ কৰাৰ প্ৰতিশ্ৰুতি  দিছে। দুয়োখন দেশৰ মাজৰ মুক্ত বাণিজ্য চুক্তি সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইদৰে কয়।

বাইট (গোৱেল)

উল্লেখযোগ্য যে এই বৰ্ষৰ এপ্ৰিল মাহত নতুন দিল্লীৰ ভাৰত মণ্ডপমত দুয়োখন দেশৰ মাজত এই চুক্তি স্বাক্ষৰিত হৈছিল।

০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি উন্নীতকৃত কৃষি কল্যাণ প'ৰ্টেল মুকলি কৰে। এই প'ৰ্টেলৰ লক্ষ্য হৈছে সমগ্ৰ দেশৰ কৃষকসকলক চৰকাৰী আঁচনি, আৰ্থিক সাহায্য আৰু মোবাইল ফোনত কৃষি সম্পৰ্কীয়

নিৰ্ভৰযোগ্য তথ্যৰ প্ৰত্যক্ষ সহজ সুবিধা প্ৰদান কৰা আৰু মধ্যস্থতাকাৰীৰ ভূমিকা দূৰ কৰা। উন্মোচনী অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয় যে উন্নীতকৃত কৃষি প'ৰ্টেলটোৰ জৰিয়তে কৃষকসকলে আঁচনিৰ বিষয়ে তথ্য আহৰণ আৰু আবেদন দাখিল কৰিবলৈ একাধিক চৰকাৰী কাৰ্যালয়লৈ বা বিভিন্ন ৱেবছাইটলৈ প্ৰৱেশ কৰাৰ প্ৰয়োজন নহ'ব।

০০০০০

মাৰ্কিন বিদেশ সচিব মাৰ্কো ৰুবিঅ'ই আজি কয় যে আমেৰিকা যুক্তৰাষ্ট্ৰই অতি সোনকালে ভাৰতৰ সৈতে এখন বাণিজ্য চুক্তি চূড়ান্ত কৰিব। উজবেকিস্তানৰ ছামাৰকাণ্ডত সাংবাদিকৰ আগত তেওঁ এই কথা প্ৰকাশ কৰে। তেওঁ লগতে ৰাছিয়াৰ পৰা তেল আৰু গেছ আমদানি কৰা দেশসমূহৰ ওপৰত আমেৰিকাৰ সাময়িক নিষেধাজ্ঞাত সমৰ্থন জনাই কয় যে গোলকীয় শক্তি যোগান আৰু মূল্যত সৃষ্টি হোৱা চাপ হ্ৰাস কৰিবলৈ এই পদক্ষেপ লোৱা হৈছে। ৰুবিঅ'ই কাইলৈ মুম্বাইলৈ আহিব। তেওঁ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰক সাক্ষাৎ কৰাৰ সম্ভাৱনা আছে। এই সপ্তাহৰ শেষৰ ফালে তেওঁ জামনগৰ ভ্ৰমণ কৰাৰ সম্ভাৱনা আছে।

০০০০০

পোলেণ্ড গণৰাজ্যৰ প্ৰধানমন্ত্ৰী ড'নাল্ড টুস্কে পৰহিলৈ তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণ মৰ্মে তেওঁ ভাৰত ভ্ৰমণলৈ আহিব। তেওঁৰ সৈতে দেশখনৰ বিত্ত আৰু অৰ্থনীতি মন্ত্ৰী আণ্ড্ৰেজ ডমান্স্কি আৰু এটা বৃহৎ ব্যৱসায়ীৰ প্ৰতিনিধি ভাৰতলৈ আহিব। এই ভ্ৰমণৰ সময়ত পোলেণ্ডৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী মোদীৰ সৈতে অহা বৃহস্পতিবাৰে দ্বিপাক্ষিক বৈঠকত ভাগ ল'ব আৰু দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন বিষয় লৈ আলোচনা কৰিব। তেওঁ বেংগালুৰু ভ্ৰমণ কৰিব আৰু তথ্য প্ৰযুক্তি আৰু মহাকাশ খণ্ডৰ কেইবাজনো ব্যৱসায়িক অংশীদাৰৰ সৈতে মত-বিনিময় কৰিব। ভাৰত-পোলেণ্ড ব্যৱসায়িক মঞ্চৰ বৈঠক নতুন দিল্লীত ২২ অক্টোবৰত আৰু বেংগালুৰুত ২৩ অক্টোবৰত অনুষ্ঠিত হ'ব। পোলেণ্ডৰ প্ৰধানমন্ত্ৰীৰ এয়া হৈছে দেশখনৰ প্ৰধানমন্ত্ৰীৰূপে দ্বিতীয়টো ভাৰত ভ্ৰমণ। ২০১০ চনত তেওঁ প্ৰথমবাৰলৈ প্ৰধানমন্ত্ৰীৰূপে ভাৰত ভ্ৰমণ কৰিছিল। ২০১৭ চনত ইউৰোপীয়ান কাউন্সিলৰ সভাপতি ৰূপে তেওঁ ভাৰত-ইউৰোপীয় ইউনিয়ন সন্মিলনত অংশগ্ৰহণৰ বাবে তেওঁ নতুন দিল্লীলৈ আহিছিল।

০০০০০

শাৰদীয় দুৰ্গোৎসৱৰ আজি মহা অষ্টমী। আজি দেৱীক মহাগৌৰীৰ ৰূপত পূজা-অৰ্চনা কৰা হৈছে। মহাষ্টমীৰ পূজা উপলক্ষে পূজা মণ্ডপসমূহত পুৱা সন্ধিপূজাৰ আয়োজন কৰা হয়। এই উপলক্ষে  পূজা মণ্ডপসমূহত ভক্তসকলে হাজাৰ হাজাৰ বন্তি প্ৰজ্বলন কৰি মাংগলিক পৰিৱেশৰ সৃষ্টি কৰে। তদুপৰি ৰাজ্যৰ প্ৰতিখন পূজাথলীতে পৱিত্ৰ মন্ত্ৰপাঠ, আৰতি, ধূপ-দীপ আৰু মংগলধ্বনিৰে মনোমোহা পৰিৱেশৰ সৃষ্টি হৈছে।  মহাগৌৰীৰূপে দেৱীৰ পৱিত্ৰতা, আধ্যাত্মিকতা আৰু গভীৰ সংযমক প্ৰতিনিধিত্ব কৰে। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে আধুনিক পূজা মণ্ডপৰ বৰ্ণিল আলোকসজ্জা আৰু অসমৰ প্ৰাচীন দৌল-দেৱালসমূহত পৰম্পৰাগতভাৱে দুৰ্গা পূজা পালন কৰা হৈছে। সমগ্ৰ অসমত ৯ হাজাৰৰো অধিক পূজা মণ্ডপত দেৱী দুৰ্গাক আৰাধনা কৰা হৈছে। গুৱাহাটী মহানগৰীৰ ৬ শতাধিক পূজা মণ্ডপত দেৱী দুৰ্গাৰ আৰাধনাৰ বাবে অগণন ভক্তৰ সমাগম হৈছে। গুৱাহাটীৰ ভাস্কৰনগৰ, বিষ্ণুপুৰ, পাণ্ডু, বেলতলাকে ধৰি কেইবাটাও স্থানত আটকধুনীয়া আৰু ব্যতিক্ৰমী পূজা মণ্ডপে সকলোকে আকৰ্ষণ কৰিছে। গুৱাহাটীৰ উগ্ৰতাৰা আৰু ছত্ৰাকাৰ দেৱালয়ৰ লগতে উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়তো পৰম্পৰাগতভাৱে দেৱীক আৰাধনা কৰা হৈছে।

শাৰদীয় দুৰ্গোৎসৱৰ পৱিত্ৰ ক্ষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শিলচৰৰ বিভিন্ন পূজাস্থলীত উপস্থিত হৈ দেৱী দুৰ্গাৰ শ্ৰীচৰণত অসমবাসীৰ সুখ, শান্তি, সমৃদ্ধি আৰু সৰ্বাংগীন মংগলৰ বাবে সেৱা জনায়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই শিলচৰৰ বিভিন্ন পূজা মণ্ডপত উপস্থিত হৈ সেৱা জনোৱাৰ লগতে সৰ্বসাধাৰণ লোকৰ সৈতেও মত বিনিময় কৰে। তেওঁ ইতিহাসপ্ৰসিদ্ধ কাঁচাকান্তি মন্দিৰত পূজা অৰ্চনা আগবঢ়ায়। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰামকৃষ্ণ মিছন সেৱাশ্ৰম, মিতালী সংঘৰ পূজা মণ্ডপ, দুৰ্গাবাৰী বিলপাৰ, তৰুণ সংঘ, লিংকৰোডৰ শ্ৰীপল্লি, বিটি কলেজৰ মেডিকেল আৰ ই পি পূজামণ্ডপ পৰিক্ৰমা কৰে।

ইপিনে, ৰাজ্যৰ প্ৰতিখন জিলা প্ৰশাসনে পূজাৰ সময়ছোৱাত শান্তি-শৃংখলা অটুত ৰখাৰ লগতে নিয়াৰিকৈ পূজা পালনৰ বাবে সকলো প্ৰচেষ্টা অব্যাহত ৰাখিছে।

০০০০০

ভাৰতে ৫৫ গিগাৱটতকৈ অধিক ইন্ধন ক্ষমতা সংযোজনেৰে ৩০০ গিগাৱট অজীৱাশ্ম ইন্ধনচালিত বিদ্যুৎ উৎপাদনৰ সামৰ্থ অতিক্ৰম কৰিছে। কেন্দ্ৰীয় চৰকাৰে ২০২৩ চনৰ ভিতৰত ৫০০ গিগাৱাট অজীৱাশ্ম ইন্ধনৰ সামৰ্থ অৰ্জন কৰাৰ পূৰ্ব নিৰ্ধাৰিত লক্ষ্যৰে স্বচ্ছ শক্তি দিশত নিৰ্ভৰশীলতা বৃদ্ধি কৰি সৌৰ আৰু বায়ু শক্তিক প্ৰধান উপাদান হিচাপে গণ্য কৰিছে। চৰকাৰে লগতে নৱীকৰণযোগ্য শক্তি সংৰক্ষণৰ বাবে ইন্ধন সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ বাবে কেতবোৰ পৰিসংখ্যা মুকলি কৰিছে। ইয়াত উল্লেখ কৰা মতে কেন্দ্ৰীয় বিদ্যুৎ প্ৰাধিকৰণে ২০৩১-৩২ চনৰ ভিতৰত প্ৰায় ৭৪ গিগাৱট শক্তি সংৰক্ষণ ক্ষমতাৰ বাবে প্ৰকল্প নিৰ্ধাৰণ কৰিছে। ইয়াৰ ভিতৰত পাম্প্ড ষ্টৰেজ প্ৰকল্প - পি এছ্ পিৰ পৰা ২৭ গিগাৱট আৰু বেটাৰী ষ্টৰেজৰ পৰা ৪৭ গিগাৱটতকৈ অধিক সংগ্ৰহ কৰা হ'ব। ইয়াৰ উপৰি চৰকাৰে পি এছ্ পিৰ বিকাশ আৰু নিয়োগ বৃদ্ধিৰ বাবে সমন্বিত নীতি নিয়ন্ত্ৰণ, চাহিদা আৰু যোগান, সমতুল কৰাৰ বাবে ব্যৱস্থাকে ধৰি বিভিন্ন পদক্ষেপ লৈছে।

০০০০০

মুম্বাই আৰক্ষীয়ে বলীউদৰ অভিনেতা টাইগাৰ শ্ৰফৰ বাহনলৈ লক্ষ্য কৰি গুলীচালনাৰ ঘটনাৰ সৈতে জড়িত তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে। ইয়াৰ পূৰ্বে আজি আৰক্ষীয়ে অভিনেতাগৰাকীৰ বাহনলৈ গুলীচালনা কৰা তিনিজন লোকৰ বিৰুদ্ধে হত্যাৰ প্ৰয়াসৰ গোচৰ ৰুজু কৰিছিল। আৰক্ষী বিষয়াই জনোৱা মতে প্ৰাৰম্ভিক অৱস্থাত এই সংক্ৰান্তত জুহু আৰক্ষীয়ে গোচৰ পঞ্জীয়ন কৰিছিল যদিও গম্ভীৰ অপৰাধৰ প্ৰতি লক্ষ্য গোচৰটো মুম্বাই অপৰাধ শাখালৈ হস্তান্তৰ কৰা হয়। উল্লেখযোগ্য যে কালি সন্ধিয়া মুম্বাইৰ জুহু অঞ্চলত অভিনেতাগৰাকীৰ গাড়ীলৈ অচিনাক্ত দুৰ্বৃত্তই গুলীচালনা কৰে। এই ঘটনাত অভিনেতাগৰাকী সামান্য আঘাতপ্ৰাপ্ত হোৱাৰ বিপৰীতে তেওঁৰ চালক আৰু আন এজন লোক আহত হয়।

০০০০০

জাপানৰ আইচি নাগোয়াত অনুষ্ঠিত এছিয়ান পেৰাগেমচত ভাৰতৰ নিশাদ কুমাৰে পুৰুষৰ লং জাম্প টি-47 প্ৰতিযোগিতাত সোণৰ পদক অৰ্জন কৰিছে। প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতামূলক লংজাম্পত অংশগ্ৰহণ কৰি নিশাদ কুমাৰে দুবাৰৰ পেৰা অলিম্পিকত ৰূপৰ পদক বিজয়ী উচবেকিস্তানৰ উমাদবেগ কাচানভক আৰু শ্ৰীলংকাৰ মহম্মদু চাফ্ৰামতকৈ আগবাঢ়ি থাকে।

মহিলাৰ ১৫ শ মিটাৰ T-12 / T-13 প্ৰতিযোগিতাত সৌম্যাই সোণৰ পদক আৰু ৰাধা ভেংকতশে ৰূপৰ পদক অৰ্জন কৰে। ইপিনে, পুৰুষৰ জেভলীন F-46 প্ৰতিযোগিতাত ৰিংকুৱে সোণৰ পদক আৰু অজিত সিঙে ৰূপৰ পদক লাভ কৰে। ইয়াৰ পূৰ্বে আজি শ্বুটাৰ মোনা আগৰৱালে মহিলাৰ ১০ মিটাৰ এয়াৰৰাইফল এছ্ এইচ ওৱান প্ৰতিযোগিতাত সোণৰ পদক আৰু অৱনি লেখাৰাই ৰূপৰ পদক লাভ কৰে।

০০০০০

সমাপ্ত